# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-07-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

HEADLIES

১। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আজি অষ্ট সপ্ততিতম প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি গুৱাহাটী আৰু ৰঙিয়াত বিভিন্ন কাৰ্যসূচী।

২। ৰাজ্যত আজিৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে বন মহোৎসৱ আৰম্ভ।

৩। অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা বিশিষ্ট কবি, গল্পকাৰ, সমালোচক, অনুবাদক অনুভৱ তুলসীৰ দেহাৱসান।

*আৰু*

৪। তেলেংগানাত অনুষ্ঠিত ৰাষ্ট্ৰীয় এলীট মহিলা বক্সিং প্ৰতিযোগিতাত লাভলীনা বৰগোঁহাই আৰু অংকুশিতা বড়োৰ সোণৰ পদক।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৰা বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ পৰিয়ালে আগবঢ়োৱা আলোকচিত্ৰ আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হয়। এই সন্দৰ্ভত পংকজ নয়ন ভট্টাচাৰ্যৰ প্ৰতিবেদন-

*(বাইট)*

অষ্ট সপ্ততিতম প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰা হয়।

প্ৰতিষ্ঠা দিৱস উপলক্ষে সন্ধিয়া চাৰে ৬ বজাৰ পৰা ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক সংগীতানুষ্ঠান আৰম্ভ হৈছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হয়। আকাশবাণী গুৱাহাটীৰ কথাশিল্প অনুষ্ঠানত প্ৰচাৰ কৰা ড০ ৰুবুল মাউটৰ **মোৰো এটা সপোন আছে** গ্ৰন্থখনৰ ধাৰাবাহিক পাঠৰ শীৰ্ষ গীত দুটিৰ লিৰিকেল ভিডিঅ' আজি মুকলি কৰা হয়। বিশিষ্ট গীতিকাৰ কীৰ্তি কমল ভূঞা আৰু

আকাশবাণীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক অৱনী ৰঞ্জন পাঠকে মুকলি কৰা এই গীতৰ কথা ইউৰেকা কাকতি আৰু গহনা চক্ৰৱৰ্তীৰ আৰু সুৰ বৰষা বৰাৰ। সুকন্যা কাশ্যপ মহন্ত আৰু বৰষা বৰাই কণ্ঠ নিগৰোৱা গীত দুটিৰ সংগীত মনদীপ মহন্ত আৰু হিৰকজ্যোতি নাথৰ। ডিজিটেল আৰ্ট শংকৰ ভৰালীৰ। এনিমেশ্যন, এডিটিং উদ্দীপ্ত ভট্টাচাৰ্যৰ আৰু প্ৰযোজনা কৰিছে ইন্দ্ৰজিৎ দাসে।

আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিৱিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিছে। শ্ৰোতাসকলে ১০০ দশমিক ৮ মেগাহাৰ্টজত এই শাখাৰ অনুষ্ঠানসমূহ শুনিব পাৰিব। ইয়াৰ উপৰিও আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। নাট শৃংখলাত আজি সূৰ্যৰ পৰিচালনাত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন** শীৰ্ষক নাটকখন প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজন কৰা **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটোত আকাশবাণী গুৱাহাটীৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত স্বনামধন্য ব্যক্তিসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে অনুষ্ঠানটোৰ প্ৰতিগৰাকী কৰ্মকৰ্তা তথা শ্ৰোতালৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ আকাশবাণী গুৱাহাটী বুলিলেই বহু নষ্টালজিয়া ভাহি আহে বুলি অৱগত কৰিছে। আকাশবাণী গুৱাহাটী এটা আৱেগৰ নাম বুলি উল্লেখ কৰি ড০ শৰ্মাই শৈশৱ আৰু কৈশোৰৰ বহু স্মৃতি জড়িত হৈ আছে বুলি প্ৰকাশ কৰে।

০০০০০

বিংশ শতিকাৰ শেষৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমীয়া কবিতাৰ জগতখনক সমৃদ্ধ কৰি ৰখা বিশিষ্ট কবি অনুভৱ তুলসীৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মগজুৰ জটিল ৰোগত আক্ৰান্ত হৈ কবিগৰাকী কেইবাদিনো ধৰি চিকিৎসাধীন হৈ আছিল। ১৯৫৮ চনত নগাঁৱত জন্মগ্ৰহণ কৰা অনুভৱ তুলসীয়ে নাজমা, দোৰোণ ফুল, জলমগ্ন দৃশ্যাৱলী, কাব্যপীঠ, পানী কাউৰী, মাটিভাষা, বানানকুৰি পঢ়া লুইতৰ পানী আদি কেইবাখনো কবিতা পুথি, অসমীয়া কবিতা আৰু তুলনামূলক আলোচনা, সৃষ্টি সুষমা আদি কবিতা বিষয়ক আলোচনা গ্ৰন্থ, গোলাপ গছত থৈ যাবি শীৰ্ষক গল্প পুথি, ঘোঁৰা চৰাৰী আৰু সূৰ্যৰ স্মৃতি শীৰ্ষক চিনেমা বিষয়ক সমালোচনা গ্ৰন্থ আদিকে ধৰি বহু কেইখন গ্ৰন্থৰ জৰিয়তে অসমীয়া সাহিত্য ভঁৰাল চহকী কৰি থৈ গৈছে। তেওঁৰ কবিতা জাৰ্মান, ফৰাচী, হাংগেৰীয়ান, উজবেক আদি ভাষালৈও অনুবাদ হৈছে। অনুভৱ তুলসীয়ে মুনিন বৰকটকী বঁটা, কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতিক দপ্তৰৰ জ্যেষ্ঠ ফেল'শ্বিপ সন্মান, অসম সাহিত্য সভাৰ সভাপতিৰ শতবৰ্ষীয় সাহিত্য সন্মান আদিকে ধৰি বহু সন্মান লাভ কৰাৰ উপৰি তেওঁৰ কবিতা গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয় আৰু লখিমপুৰ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ পাঠ্যক্ৰমতো অন্তৰ্ভুক্ত হৈছে। অসংখ্য গুণমুগ্ধ আৰু আত্মীয় স্বজনৰ উপস্থিতিত কবিগৰাকীৰ শেষকৃত্য আজি নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়।

০০০০০

আজি সাতদিনীয়া কাৰ্যসূচীৰে বন মহোৎসৱ আৰম্ভ হৈছে। সমৃদ্ধিশালী জৈৱ বৈচিত্ৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে এই মহোৎসৱ উদযাপন কৰি অহা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বন মহোৎসৱলৈ শুভেচ্ছা জ্ঞাপন কৰি বন ভূমিৰ সংৰক্ষণ, শক্তিশালী পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ মাধ্যমেৰে সু-ভৱিষ্যতৰ দিশে

অগ্ৰসৰ হোৱাৰ আহ্বান জনাইছে। সেউজ অঞ্চলৰ পৰিষৰ বৃদ্ধি কৰি প্ৰাণী জগতৰ বাবে আশ্ৰয় আৰু খাদ্য যোগানৰ লগতে খৰাং আৰু ভূমিস্খলন ৰোধৰ হেতু দেশবাসীক গছপুলি ৰোপণৰ ক্ষেত্ৰত উৎসাহিত কৰাৰ উদ্দেশ্যে আইৰ নামত এজোপা গছ বিষয়বস্তু হিচাপে লৈ এই দিৱস উদযাপন কৰা হৈছে। দেশৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী সংস্থাৰ লগতে অসমৰ আগশাৰীৰ পৰিৱেশ সংৰক্ষণকাৰী অনুষ্ঠান সমূহেও আজিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই দিৱস উদযাপনৰ দিহা কৰিছে।

ooooo

বৰাক উপত্যকা উন্নয়ন বিভাগৰ উদ্যোগত অঞ্চলটোৰ উন্নয়নৰ বাবে হাতত লোৱা বিভিন্ন প্ৰকল্প ক্ষীপ্ৰতাৰে ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। আজি শিলচৰৰ চাৰ্কিত হাউচত বিভাগৰ অস্থায়ী কাৰ্যালয় উদ্বোধন কৰি মন্ত্ৰী কৌশিক ৰায়ে এই কথা সদৰি কৰে। তেওঁ কয়, যে এই কাৰ্যালয় স্থায়ীভাৱে অহা জানুৱাৰী মাহত শ্ৰীকোণাত নিৰ্মিয়মান বৰাক উপত্যকা সচিবালয়লৈ স্থানান্তৰিত কৰা হ'ব। উপত্যকাৰ জনসাধাৰণৰ উন্নয়নৰ বাবে বিভিন্ন জনকল্যাণমূলক আঁচনি ক্ষীপ্ৰতাৰে সম্পন্ন কৰাৰ ক্ষেত্ৰত বিভাগে লোৱা পদক্ষেপ সন্দৰ্ভত তেওঁ এইদৰে কয়-

*(বাইট ঃ কৌশিক ৰায়)*

ooooo

আজি ৪৩ সংখ্যক বৰপেটা জিলা দিৱস উপলক্ষে জিলাখনত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। ১৯৮৩ চনৰ পহিলা জুলাইৰ দিনটোতে অবিভক্ত কামৰূপ জিলাৰ পৰা পৃথক কৰি বৰপেটা জিলা গঠন কৰা হৈছিল। জিলা দিৱস উপলক্ষে আজি পুৱা বৰপেটা জিলা প্ৰশাসনৰ ফালৰ পৰা ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত এখনি শৰাই আগবঢ়োৱা হয়। প্ৰশাসনিক বিষয়াসকলৰ সৈতে জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে বৰপেটা জিলাৰ সৰ্বাংগীন উন্নতিৰ কামনাৰে সত্ৰখনত সেৱা জনায়। বিয়লি বৰপেটা জিলা পুথিভঁৰালত আয়োজিত এটি বিশেষ অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা জিলাখনৰ কেইবাগৰাকীও ব্যক্তিক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

যোৰহাটতো আজি জিলা দিৱস উপলক্ষে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে আজি জিলাখনৰ হুলুঙাপাৰস্থিত মহাবীৰ লাচিত মৈদামত কিম্বদন্তি আহোম সেনাপতি লাচিত বৰফুকনক শ্ৰদ্ধাঞ্জলি জনাই সাংস্কৃতিক কাৰ্যসূচীৰ লগতে ভাৰতীয় সেনাবাহিনী আৰু অসম আৰক্ষীৰ দ্বাৰা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। যোৰহাটৰ জিলা আয়ুক্তই অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰে। ইপিনে, যোৰহাট জিলা দিৱস উদযাপনৰ অংশস্বৰূপে আজি জিলাখনৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে যোৰহাট ষ্টেডিয়ামৰ চৌহদত চাৰিদিনীয়াকৈ হ'বলগীয়া আত্মসহায়ক গোট তথা ক্ষুদ্ৰ ব্যৱসায়ীৰ দ্বাৰা বিভিন্ন বিপণী আৰু বেংকৰ ঋণ মেলা মুকলি কৰে।

গোৱালপাৰাতো আজি দিনজোৰা কাৰ্যসূচীৰে জিলা দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে মাৰাথন দৌৰ, চাফাই অভিযান, গছপুলি ৰোপন, কুইজ প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হয়। জিলাখনৰ নটসূৰ্য ফণী শৰ্মা ভৱনত জিলা দিৱসৰ লগত  সংগতি ৰাখি সম্বৰ্দ্ধনা সভা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়।

কোকৰাঝাৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি কোকৰাঝাৰ জিলা দিৱস উদযাপন কৰা হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এই উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।

ooooo

নগাঁও জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি অসম চৰকাৰৰ চাহ কল্যাণ, চাহ জনজাতি, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ সভাপতিত্বত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলাখনৰ শ্ৰম বিভাগ, স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী, বিদ্যুৎ, শিক্ষা, মহিলা আৰু শিশু উন্নয়ন বিভাগ, উদ্যোগ, মহকুমা কল্যাণ বিভাগ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগসমূহৰ মুৰব্বী বিষয়াসকল আৰু চাহ বাগিচাৰ পৰিচালকসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা উপস্থিত থকা সভাখনত সহকাৰী শ্ৰম আয়ুক্তই দৃশ্যশ্ৰাব্য মাধ্যমেৰে জিলাখনৰ ২৪খন চাহ বাগিচাৰ লগতে বিভাগসমূহৰ দ্বাৰা ৰূপায়িত কাৰ্যাৱলীৰ বিশদ বিৱৰণ দাঙি ধৰে। মন্ত্ৰী শ্ৰীগোৱালাই অসম চৰকাৰে গ্ৰহণ কৰা **চাহ বাগিচা মজুৰি ক্ষতিপূৰণ আঁচনি**ৰ পৰা যাতে এগৰাকীও গৰ্ভৱতী মহিলা বঞ্চিত নহয়, তাৰ বাবে বাগান কৰ্তৃপক্ষৰ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জল জীৱন মিছনৰ অধীনত জিলাখনৰ চাহ বাগিচাসমূহত বিশুদ্ধ খোৱাপানী যোগান ব্যৱস্থাৰ বৰ্তমানৰ স্থিতিৰ বুজ লয়। চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলৰ পি এফ, গ্ৰেচ্যুইটিৰ সুবিধা সময়মতে প্ৰদান কৰিবলৈ শ্ৰীগোৱালাই চাহ বাগিচা কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

ooooo

তেলেংগানাত অনুষ্ঠিত ৰাষ্ট্ৰীয় এলীট মহিলা বক্সিং প্ৰতিযোগিতাত লাভলীনা বৰগোঁহাই আৰু অংকুশিতা বড়োৱে সোণৰ পদক অৰ্জন কৰিছে। আজি অনুষ্ঠিত ফাইনেল খেলত লাভলীনাই ৰে'লৱেৰ লাচু যাদৱৰ বিৰুদ্ধে ৱাক্-অভাৰ লাভ কৰাৰ ফলস্বৰূপে সোণৰ পদক জয় কৰে। ইপিনে, অংকুশিতাই ৰে'লৱেৰে শশীক ৩-২ ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। তদুপৰি ছাইক প্ৰতিনিধিত্ব কৰা আন এগৰাকী অসম কন্যা গিতিমণি গগৈয়ে ফাইনেলত দিল্লীৰ শিৱাণীৰ হাতত পৰাজিত হৈ ৰূপৰ পদক লাভ কৰে। ফাইনেলত প্ৰৱেশ কৰাৰ সাফল্যৰে ইতিমধ্যে তিনিওগৰাকী বক্সাৰে পাটিয়ালাত হ'বলগীয়া ৰাষ্ট্ৰীয় বক্সিং শিবিৰলৈ যোগ্যতা অৰ্জন কৰিছে।

ooooo

দেৰগাঁও মিলনপুৰ নিবাসী অসম চৰকাৰৰ মহকুমা পৰিষদৰ অৱসৰপ্ৰাপ্ত সচিব নীলনাথ শৰ্মা ফুকনৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৮ বছৰ। মৃত্যুৰ আগলৈকে তেওঁ ৰাজ্যিক পেন্সনাৰ সংস্থা, দেৰগাঁও টাউন ক্লাবকে ধৰি বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতঃভাৱে জড়িত আছিল।

ooooo

সমাপ্ত